### সংক্ষেপতে —

১। গৱেষণা-পত্ৰৰ সাৰাংশ ২৫০ টা শব্দৰ ভিতৰত আৰু সম্পূৰ্ণ গৱেষণা-পত্ৰ ২০০০ ৰ পৰা ২৫০০ শব্দৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।
২। পঞ্জীয়ন মাচুল ঃ ১৫০০/- টকা (শিক্ষকৰ বাবে) আৰু ১০০০/- টকা (গৱেষক ছাত্ৰ-ছাত্ৰীৰ বাবে)
৩। আলোচনাচক্ৰত অংশগ্ৰহণ কৰোঁতাসকলক কোনো প্ৰকাৰৰ TA/DA দিয়াৰ ব্যৱস্থা নাথাকিব।
৪। আলোচনাচক্ৰত অংশগ্ৰহণকাৰীসকলে নিজাববীয়াকৈ থকা-মেলাৰ ব্যৱস্থা কৰিব লাগিব।

### গুৰুত্বপূৰ্ণ তাৰিখ ঃ

১। গৱেষণা-পত্ৰৰ সাৰাংশ ১৭ জানুৱাৰী, ২০২০ খ্ৰীষ্টাব্দৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব।
২। সম্পূৰ্ণ গৱেষণা-পত্ৰখন পঞ্জীয়নৰ সময়ত দাখিল কৰিব লাগিব।
৩। আলোচনাচক্ৰৰ তাৰিখ ১০ আৰু ১১ ফেব্ৰুৱাৰী, ২০২০ খ্ৰীষ্টাব্দ।
৪। পঞ্জীয়নৰ সময়- ৰাতিপুৱা ৯ বজা।

### যোগাযোগৰ ঠিকনা ঃ

ড° দুলুমনি ডেকা, সমন্বয়ক, দূৰভাষ নং- ৮৬৩৮৪৫৬৫৩৪
শ্ৰীঅজিৎ কলিতা, সহঃ সমন্বয়ক, দূৰভাষ নং- ৯৮৫৯০১৪৯৮২
ড° ধীৰেণ বড়ো, সহঃ সমন্বয়ক, দূৰভাষ নং- ৯৩৬৫১২৮৯১৭
Email- assameseseminarpkc@gmail.com

**বিঃ দ্ৰঃ- নিৰ্বাচিত গৱেষণা-পত্ৰ পৰৱৰ্তীকালত গ্ৰন্থাকাৰে ISBN নম্বৰ সহ প্ৰকাশ কৰা হ'ব।**

## আয়োজক সমিতি

**উপদেষ্টামণ্ডলী ঃ**

ড° প্ৰফুল্ল কুমাৰ ডেকা, সভাপতি, পূব কামৰূপ মহাবিদ্যালয় পৰিচালনা সমিতি
ড° বলেন্দ্ৰ কুমাৰ দেৱ চৌধুৰী, অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়
শ্ৰীজীৱন চন্দ্ৰ শৰ্মা, উপাধ্যক্ষ , পূব কামৰূপ মহাবিদ্যালয়
শ্ৰীপ্ৰভাত বণিয়া, সভাপতি, কামৰূপ জিলা সাহিত্য সভা
শ্ৰীৰাজেন মহন্ত, সম্পাদক, কামৰূপ জিলা সাহিত্য সভা
ড° নৃপেন্দ্ৰ নাথ তালুকদাৰ, সভাপতি, পূব কামৰূপ সাহিত্য সভা
শ্ৰীভৱেশ ডেকা, সভাপতি, বাইহাটা চাৰিআলি সাহিত্য সভা

**সভাপতি ঃ**

ড° কমল শৰ্মা, সমন্বয়ক, আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষ, পূব কামৰূপ মহাবিদ্যালয় আৰু সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ, পূব কামৰূপ মহাবিদ্যালয়

**সমন্বয়ক ঃ**

ড° দুলুমনি ডেকা, মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ, পূব কামৰূপ মহাবিদ্যালয়

**সহঃ সমন্বয়ক ঃ**

শ্ৰীঅজিৎ কলিতা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, পূব কামৰূপ মহাবিদ্যালয়
ড° ধীৰেণ বড়ো, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, পূব কামৰূপ মহাবিদ্যালয়

**সদস্যবৃন্দ ঃ**

ড° বৰ্ণালী ডেকা, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, পূব কামৰূপ মহাবিদ্যালয়
ড° দীপেন বেজবৰুৱা, মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ, পূব কামৰূপ মহাবিদ্যালয়
শ্ৰীমন্টু শইকীয়া, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ, পূব কামৰূপ মহাবিদ্যালয়
ড° নয়নমণি বৰুৱা, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, পূব কামৰূপ মহাবিদ্যালয়
শ্ৰীবিপাশা ভৰদ্বাজ, সহকাৰী অধ্যাপিকা, ইংৰাজী বিভাগ, পূব কামৰূপ মহাবিদ্যালয়
জিয়াউল হক, সম্পাদক, বাইহাটা চাৰিআলি সাহিত্য সভা

*ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ*

# বিষয় ঃ অসমীয়া শিশু আৰু কিশোৰ সাহিত্য

**তাৰিখ ঃ ১০ আৰু ১১ ফেব্ৰুৱাৰী, ২০২০ খ্ৰীষ্টাব্দ**

আয়োজক
অসমীয়া বিভাগ
আৰু
আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষ (IQAC)
পূব কামৰূপ মহাবিদ্যালয়
বাইহাটা চাৰিআলি, কামৰূপ, অসম
ডাক সূচাংক ঃ ৭৮১৩৮১

সহযোগী অনুষ্ঠান
কামৰূপ জিলা সাহিত্য সভা

## নিমন্ত্ৰণী শৰাই



*শ্ৰদ্ধেয় মহাশয়/ মহাশয়া,*

*নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক/ আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে, অহা ১০ আৰু ১১ ফেব্ৰুৱাৰী, ২০২০ খ্ৰীষ্টাব্দত পূব কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিধাৰণ কোষৰ উদ্যোগত তথা কামৰূপ জিলা সাহিত্য সভাৰ সহযোগত "অসমীয়া শিশু আৰু কিশোৰ সাহিত্য" বিষয়ত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হ'ব। গতিকে, আলোচনাচক্ৰখনিত উপস্থিত থাকি ঐকান্তিক সহায়-সহযোগিতা আগবঢ়াবলৈ আৰু মননশীল গৱেষণা-পত্ৰৰে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ সাদৰেৰে নিমন্ত্ৰণী শৰাই আগবঢ়ালোঁ।*

*ধন্যবাদেৰে—*

ড° বলেন্দ্ৰ কুমাৰ দেৱ চৌধুৰী
অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

ড° দুলুমনি ডেকা
সমন্বয়ক

ড° কমল শৰ্মা
সভাপতি

অজিৎ কলিতা
ড° ধীৰেণ বড়ো
সহকাৰী সমন্বয়ক

আয়োজক সমিতি
*ৰাষ্ট্ৰীয় আলোচনাচক্ৰ, পূব কামৰূপ মহাবিদ্যালয়*

## পূব কামৰূপ মহাবিদ্যালয় সম্পৰ্কে একাষাৰ

কামৰূপ জিলাৰ বাইহাটা চাৰিআলি অঞ্চলত অৱস্থিত পূব কামৰূপ মহাবিদ্যালয় অসমৰ উচ্চ শিক্ষাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান। পূব কামৰূপ মহাবিদ্যালয় ১৯৭২ চনত প্ৰতিষ্ঠা কৰা হৈছিল। স্নাতক কলা শাখাৰ পাঠদানেৰে শুভাৰম্ভ কৰা মহাবিদ্যালয়খনত পাছলৈ স্নাতক বিজ্ঞান শাখাৰো পাঠদান আৰম্ভ কৰা হয়। বৰ্তমান সময়ত বিভিন্ন বিষয়ত বৃত্তিমূলক পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। ২০১৫ চনত মহাবিদ্যালয়খন ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানে 'ম'ডেল ডিগ্ৰী কলেজ'লৈ উন্নীত কৰে। অতি সম্প্ৰতি পদাৰ্থ বিজ্ঞান, বায়'ফিজিক্স আৰু কম্পিউটাৰ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীৰ পাঠ্যক্ৰমো আৰম্ভ কৰা হৈছে।

## আলোচনাচক্ৰৰ বিষয়

খ্ৰীষ্টীয় অষ্টম-দ্বাদশ শতিকাৰ সময়ছোৱাত ৰচিত চৰ্য্যাপদসমূহৰ পৰাই অসমীয়া সাহিত্যৰ এক শক্তিশালী পৰম্পৰাৰ উদ্ভৱ হয়। লোক-সাহিত্যৰ নিচুকনি গীত, সাধুকথাসমূহৰ পৰা আৰম্ভ কৰি শংকৰদেৱৰ 'কীৰ্ত্তনঘোষা' গ্ৰন্থৰ শ্ৰীকৃষ্ণৰ 'শিশু লীলা', 'প্ৰহ্লাদ চৰিত', শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা', ৰাম সৰস্বতীৰ 'ভীমচৰিত' প্ৰমুখ্যে প্ৰাচীন অসমীয়া সাহিত্যত শিশু আৰু কিশোৰ উপযোগী সাহিত্যৰ পৰ্যাপ্ত উপাদান পৰিলক্ষিত হয়। আধুনিক অসমীয়া সাহিত্যৰ শিশু আৰু কিশোৰ সাহিত্যৰ ধাৰাটি গুণগত দিশত যথেষ্ট শক্তিশালী নহ'লেও কিছুসংখ্যক সাহিত্যিকে এই ক্ষেত্ৰখনলৈ মূল্যবান বৰঙণি আগবঢ়াই গৈছে। শিশু আৰু কিশোৰহঁতৰ শাৰীৰিক, মানসিক তথা আধ্যাত্মিক বিকাশৰ বাবে সাম্প্ৰতিক সময়ত দেশী আৰু বিদেশী বিভিন্ন ভাষাৰ উৎকৃষ্ট মানৰ শিশু আৰু কিশোৰ সাহিত্য অসমীয়ালৈ অনুবাদ কৰি অসমীয়া সাহিত্যকো চহকী কৰি তুলিছে। ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ উচ্চ মানসম্পন্ন শিশু-কিশোৰ সাহিত্যৰে সৈতে অসমীয়া শিশু আৰু কিশোৰ সাহিত্যৰ বিভিন্ন দিশ তুলনা কৰি চোৱাটো বৰ্তমান সময়ত এক অতি প্ৰয়োজনীয় বিষয় বুলি বিবেচিত হৈছে। এই বিদ্যায়তনিক চৰ্চাই অসমীয়া শিশু আৰু কিশোৰ সাহিত্যৰ বিকাশত বৰঙণি যোগাব বুলি ধাৰণা কৰা হৈছে। তদুপৰি শিশু আৰু কিশোৰ জীৱনেই ব্যক্তিৰ চৰিত্ৰ গঠনৰ ঘাই ভেটি। ভৱিষ্যৎ প্ৰজন্মক সুস্থভাৱে গঢ় দিয়াত শিশু আৰু কিশোৰ সাহিত্যৰ এক বলিষ্ঠ ভূমিকা থাকে। সেয়েহে প্ৰস্তাৱিত আলোচনাচক্ৰখনৰ যোগেদি অসমীয়া শিশু আৰু কিশোৰ সাহিত্যৰ ইতিহাস, গতি-প্ৰকৃতি, মান তথা ইয়ালৈ অহা প্ৰত্যাহ্বানসমূহ উপলব্ধি কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এইক্ষেত্ৰত, গৱেষকসকলে যাতে বিষয়টোৰ বিভিন্ন দিশ সামৰি ল'ব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি মূল বিষয়ৰে সৈতে নিম্ন উল্লিখিত উপ-বিষয়সমূহ নিৰ্ণয় কৰা হৈছে—

### আলোচনাচক্ৰৰ মূল বিষয়
### অসমীয়া শিশু আৰু কিশোৰ সাহিত্য

**উপ-বিষয়সমূহ ঃ**

(ক) শিশু আৰু কিশোৰ সাহিত্যৰ সংজ্ঞা, পৰিচয় আৰু স্বৰূপ নিৰ্ণয়
(খ) অসমীয়া শিশু-কিশোৰ সাহিত্যৰ উদ্ভৱ আৰু বিকাশ
(গ) শিশু আৰু কিশোৰ মনস্তত্ত্ব
(ঘ) শিশু-কিশোৰ সাহিত্যৰ বিকাশত অসমীয়া আলোচনীৰ ভূমিকা
(ঙ) অসমীয়া শিশু-কিশোৰ উপযোগী পদ্য
(চ) অসমীয়া শিশু-কিশোৰ উপযোগী কাব্য
(ছ) অসমীয়া শিশু-কিশোৰ উপযোগী উপন্যাস
(জ) অসমীয়া শিশু-কিশোৰ উপযোগী চুটিগল্প
(ঝ) অসমীয়া শিশু-কিশোৰ উপযোগী নাটক
(ঞ) অসমীয়া শিশু-কিশোৰ উপযোগী প্ৰবন্ধ
(ট) অসমীয়া শিশু-কিশোৰ উপযোগী মহাকাব্য
(ঠ) অসমীয়া শিশু-কিশোৰ উপযোগী জীৱনী সাহিত্য
(ড) অসমীয়া শিশু-কিশোৰ উপযোগী লোক সাহিত্য
(ঢ) অসমীয়া শিশু-কিশোৰ উপযোগী ৰহস্য আৰু কল্প-বিজ্ঞান সাহিত্য
(ণ) দেশী-বিদেশী শিশু-কিশোৰ সাহিত্যৰ অনুবাদ
(ত) অসমৰ জনজাতীয় ভাষাৰ শিশু আৰু কিশোৰ সাহিত্য
(থ) মূল বিষয়ৰ লগত সম্পৰ্কিত আন যি কোনো বিষয়

## গৱেষণা-পত্ৰৰ নিয়মাৱলী ঃ

প্ৰস্তাৱিত বিষয়ত ইচ্ছুক গৱেষক-গৱেষিকাসকলৰ পৰা মননধৰ্মী গৱেষণা-পত্ৰ আহ্বান কৰা হৈছে। অসমীয়া আৰু ইংৰাজী ভাষাৰ যি কোনো এটা মাধ্যমত গৱেষণা-পত্ৰ লিখিব পাৰিব। গৱেষণা-পত্ৰৰ সাৰাংশ ২৫০ টা শব্দৰ ভিতৰত লিখি ই-মেইল (Email- assameseseminarpkc @gmail.com) যোগে ১৭ জানুৱাৰী, ২০২০ তাৰিখৰ আগতে পোৱাকৈ পঠিয়াব লাগিব। ইংৰাজীত লিখা গৱেষণা-পত্ৰ MS Word -ত Times New Roman Font ব্যৱহাৰ কৰি টাইপ কৰিব লাগিব আৰু অসমীয়া মাধ্যমৰ বাবে পেজমেকাৰত ৰামধেনু ছ'ফ্টৱেৰৰ গীতাঞ্জলি ফ'ণ্ট ব্যৱহাৰ কৰিব লাগিব।